অসম বিধান সভা
তৰাবিহীন প্ৰশ্ন নং : ৪৩১
উত্তৰ দানৰ তাৰিখ : ২২/০৭/২০২৬
*বিষয়ঃ* **শীতলীকৰণ গৃহ স্থাপন সম্পৰ্কে**
বিধায়কৰ নাম : শ্ৰীবলিন চেতিয়াঃ

মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) শদিয়া সমষ্টিৰ অন্তৰ্গত ছৈখোৱা আৰু কাকপথাৰ অঞ্চলৰ সমূহীয়া প্ৰচেষ্টাৰ বাবে ২০২০ চনত অসমৰ প্ৰথমখন মডেল 'নেমু গাঁও' হিচাপে স্বীকৃতি দিছে। চৰকাৰে কাজি নেমুক ২০২৪ চনত ৰাজ্যিক ফল হিচাপে ঘোষণা কৰিছে আৰু ইয়াৰ Geo-Tag ৰ ব্যৱস্থা কৰিছে। কিন্তু চাহিদা অনুসৰি কাজি নেমুৰ উৎপাদন যথেষ্ট হোৱা হেতুকে বহু মেট্ৰিকটন কাজি নেমু নষ্ট হৈ যায় । ফলত কৃষকসকল ব্যাপক লোকচানৰ সন্মুখীন হয়। এই বিষয়ে চৰকাৰ জ্ঞাতনে ?

(খ) কাজি নেমুক গুণগত মান অক্ষুণ্ণ ৰাখিবলৈ আৰু বজাৰমূল্য নিয়ন্ত্ৰণৰ বাবে তথা ৰপ্তানি বৃদ্ধিৰ বাবে ছৈখোৱা আৰু কাকপথাৰ অঞ্চলত উচ্চ ক্ষমতাসম্পন্ন অত্যাধুনিক শীতলীকৰণ গৃহ স্থাপনৰ বাবে চৰকাৰে কি পদক্ষেপ গ্ৰহণ কৰিছে ? (সদনত জনাব)

## <u>উত্তৰ</u>

মাননীয় কৃষি বিভাগৰ মন্ত্ৰী শ্ৰী পীযুষ হাজৰিকা দেৱে উত্তৰ দিব :

(ক) সমগ্ৰ ৰাজ্যত কাজি নেমুৰ খেতি পৰম্পৰাগতভাবে প্ৰচুৰ পৰিমাণে কৰা হয়। তাৰোপৰি যোৱা কেইবাবছৰ ধৰি কৃষি বিভাগৰ উত্তৰ পূব আৰু হিমালয়ৰ পাদদেশৰ ৰাজ্যসমূহৰ বাবে উদ্যান শস্য অভিযান (HMNEH) আৰু উত্তৰ পূৰ্ব্বাঞ্চলৰ বাবে জৈৱিক মূল্য শৃংখল উন্নয়ন অভিযান (MOVCD-NER) আঁচনিৰ জৰিয়তে কৃষক আৰু কৃষক উৎপাদক গোটক কৃষিভূমি সম্প্ৰসাৰণৰ বাবে পুলি যোগান ধৰি আহিছে। ফলস্বৰূপে কাজি নেমুৰ উৎপাদন অধিক পৰিমাণে বৃদ্ধি পাইছে। তাৰোপৰি ২০২৪ চনত কাজি নেমুক ৰাজ্যিক ফল হিচাপে ঘোষণা কৰাৰ ফলত কৃষক সকল কাজি নেমুৰ খেতিৰ প্ৰতি উৎসাহিত হৈ পৰিছে। মাজেসময়ে চাহিদাতকৈ কাজি নেমুৰ উৎপাদন বেছি হোৱা বাবে আৰু শীতল ভঁৰাল, বজাৰ সংযোগ বা পৰিবহন ব্যৱস্থাৰ অসুবিধাৰ বাবে কৃষকসকলে কেতিয়াবা বজাৰ মূল্য নাপায়। তিনিচুকীয়া জিলাত ঘৰুৱা চাহিদাতকৈ যঠেষ্ট পৰিমানে কাজি নেমু উৎপাদন হয়। ফলত দুই এঠাইত কাজি নেমু নষ্ট হোৱাৰ ঘটনা দেখিবলৈ পোৱা যায় । এই সমস্যা সমাধানৰ বাবে জিলা কৃষি বিভাগে "কৃষি উৎপাদক সংগঠন/কোম্পানী (FPO/FPC) "সমুহৰ উত্তৰণৰ বাবে ব্যৱস্থা গ্ৰহন কৰি আহিছে । দিৰাকমুখ থাপাবাৰি গাঁওৰ "চাইট্ৰাছ ন-দিহিং টেঙা উন্নয়ন সমিতি" আৰু কুণ্ডিল "এফ পি চি" শদিয়া তেনে দুটা সংগঠন।

(খ) কাজি নেমুক গুণগত মান অক্ষুন্ন ৰাখিবলৈ আৰু বজাৰমূল্য নিয়ন্ত্ৰণৰ বাবে তথা ৰপ্তানি বৃদ্ধিৰ বাবে ছৈখোৱা আৰু কাকপথাৰ অঞ্চলত উচ্চ ক্ষমতাসম্পন্ন অত্যাধুনিক শীতলীকৰণ গৃহ স্থাপনৰ বাবে কৃষি বিভাগৰ HMNEH আঁচনিৰ অধীনত ব্যৱস্থা আছে। এই আঁচনিৰ অধীনত ইচ্ছুক কৃষকে ৫০% ৰাজসাহায্যত শীতলীকৰণ ভঁৰাল (Cold Storage), শীতলীকৰণ কক্ষ (Cold Chamber, শীতলীকৃত বাহন (Refregerated Van) লাভ কৰিব পাৰে। ৰাজ্যৰ যিকোনো ইচ্ছুক কৃষক বা কৃষি উৎপাদক গোটে উপৰত উল্লেখিত সা-সুবিধাবোৰ জিলা কৃষি বিষয়াৰ কাৰ্য্যালয়ৰ লগত যোগাযোগ কৰি লব পাৰিব । তাৰোপৰি এই আঁচনিৰ অধীনত খাদ্য সংসাধন আৰু মূল্য সংযোজনৰ ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ স্থাপনৰ বাবে সৰ্বোচ্ছ ৮.০০ কোটি টকা পৰ্যন্ত্য প্ৰকল্প মূল্যৰ বিপৰীতে ৫০% ৰাজসাহাৰ্য্য প্ৰদানৰ ব্যৱস্থা আছে। ইতিমধ্যে অসমৰ বিভিন্ন জিলাত কৃষি বিভাগৰ তত্বাৱধানত HMNEH আঁচনিৰ অধীনত স্থাপন হোৱা কিছু প্ৰকল্পৰ তালিকা **পৰিশিষ্ট - ১** ত গাঁঠি দিয়া হ'ল।

*************

পৰিশিষ্ট (Annexure) সমূহ PDF আকাৰে অনলাইন যোগে [www.cms.neva.gov.in](http://www.cms.neva.gov.in) ত দাখিল কৰা হ'ল ।

পৰিশিষ্ট-২

## Food Processing Unit under HMNEH Scheme

| Sl. No. | Name of the Beneficiary | Component | District | Project Cost (in Lakh) |
|---|---|---|---|---|
| 1 | M/s. Bhogali Food Products, Chaygaon, Kamrup | Food Processing Unit | Kamrup | 289.70 |
| 2 | M/s. Kamdhenu Enterprise, Prop. : Samir Kr. Choudhury, Barpeta Road, Barpeta | Food Processing Unit using the latest Technology of Freeze Drying to Dehydrate different fruits & vegetables | Barpeta | 400.00 |
| 3 | Pustikor Foods and Beverages Pvt. Ltd., Prop. : Sanjib Das, Nathkuchi, Nalbari | Juice Processing Unit | Nalbari | 300.00 |
| 4 | Madhur Food Products, Prop. : Mrs. Amrit Madhuri Devi, Ketekibari, Tezpur, Sonitpur | Food Processing Unit | Sonitpur | 38.11 |
| 5 | Food Processing Unit, Prop. : Priyanku Protim Pathak, Jamuguri, Tezpur, Sonitpur | Food Processing Unit for processing of spices and fruits | Sonitpur | 269.00 |
| 6 | Bodoland Farmer Producer Company Limited, Prop. : Paritan Nurzary, Saraibil, Kokrajhar | Mushroom Food Processing Unit | Kokrajhar | 180.00 |
| 7 | Mushroom Solutions, Prop. : Nikumoni Baruah, Lamp Road, Ambari, Guwahati-01 | Mushroom Food Processing Unit | Kamrup (M) | 90.51 |
| 8 | Panbari Bodofa Agro Producer Company Ltd., Prop. : Madan Basumatary, Panbari, Chirang | Spice Processing Unit | Chirang | 384.00 |
| 9 | Kamrup Spice Processing Unit, Prop. : Rubul Hussain Choudhury, Bhomolahati, Kamrup | Spice Processing Unit | Kamrup | 353.80 |
| 10 | Aiseng Winery LLP, Prop. : Aditi Gohain Phukan, Bhagaduttapur, Satgaon, Kamrup (M), Assam | Food Processing Unit | Kamrup(M) | 138.65 |
| 11 | Purvottar Gramya Prabha (PGP) Private Ltd, Durula Dubi, Dharamtul, Morigaon | Spice Processing Unit | Morigaon | 494.53 |